**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-AUG-2026
**Time :** 1845 PM

***Assamese Evening Bulletin***
**Headlines**
**------------------**

০০০০০

১।	একবিংশ শতিকাত ভাৰতত এটা আধুনিক ক্ৰীড়া পৰিস্থিতিতন্ত্ৰ গঢ়ি তুলিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰকাশ।

২।	নেপালৰ বানত আবদ্ধ ভাৰতীয় লোকসকলক উদ্ধাৰৰ বাবে ভাৰতৰ প্ৰচেষ্টা তীব্ৰতৰ।

৩।	স্বাস্থ্যমন্ত্ৰী অশোক সিংহলৰ মাজুলীত বিভিন্ন চিকিৎসালয়ৰ আন্তঃগাঁথনি পৰিদৰ্শন।

৪।	অসম পৰ্য্যটন নিগমৰ নিযুক্তি কেলেংকাৰীৰ গোচৰত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ অভিযোগনামা দাখিল।

*আৰু*

৫।	ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ কলম্বো টেষ্ট অমীমাংসিতভাৱে সমাপ্ত। ভাৰতৰ শৃংখলা দখল।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একবিংশ শতিকাত ভাৰতত এটা আধুনিক ক্ৰীড়া পৰিস্থিতিতন্ত্ৰ গঢ়ি তুলিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰকাশ কৰিছে। তেওঁ কয় যে ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পৰা আধুনিক প্ৰশিক্ষণ কেন্দ্ৰলৈ সমগ্ৰ দেশতে এটা ক্ৰীড়া পৰিস্থিতি তন্ত্ৰ বিকশাই তোলা হ'ব, য'ত প্ৰতিটো পৰ্যায়তে ক্ৰীড়া প্ৰতিভাসমূহে প্ৰয়োজনীয় সহায়-সামৰ্থ্য লাভ কৰিব। খেল' ইণ্ডিয়া সংবাদ কাৰ্যসূচীত ভিডিঅ' কনফাৰেন্সিং মাধ্যমেৰে অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে আজি এইদৰে উল্লেখ কৰে। তেওঁ কয় যে ক্ৰীড়া কেৱল পদক বিজয়তে সীমাৱদ্ধ নহয়, বৰং ক্ৰীড়া হৈছে দেশক উন্নয়নৰ পথত আগুৱাই নিবলৈ ভাৰতৰ যুৱ শক্তিক একত্ৰিত কৰা এটা বিশেষ মাধ্যম। চৰকাৰে এই ক্ষেত্ৰত সকলোধৰণৰ সহায়-সাহায্য আগবঢ়াব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

বাইট (পি এম)

দেশৰ অন্যান্য ঠাইৰ লগতে অসমতো আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে খেলো ইণ্ডিয়া সংবাদ কাৰ্যসূচী অনুষ্ঠিত হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰংঘৰ প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত বিকশিত ভাৰত যুৱ সংযোগ - ক্ৰীড়া সংস্কৰণ শীৰ্ষক কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকে। অনুষ্ঠানত শ্ৰীসোণোৱালে শিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে বৰ্তমান সময়ত ক্ৰীড়া উন্নত বৃত্তিও যে হ'ব পাৰে সেই বিষয়ে উল্লেখ কৰে।

বাইট (সোণোৱাল)

অনুষ্ঠানত অংশ লৈ ভাৰতৰ ফুটবল তাৰকা বাইচুং ভুটিয়াই ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰে।

মাই ভাৰত কেন্দ্ৰ নগাঁও আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ যৌথ উদ্যোগত নগাঁও জিলাৰ নৰ্নৈ মহাবিদ্যালয়ত আয়োজিত খেলো ইণ্ডিয়া কাৰ্যসূচীত পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। শ্ৰীভূমি জিলাৰ পাথাৰকান্দি মহাবিদ্যালয়ত আয়োজিত কাৰ্যসূচীত কৰিমগঞ্জৰ সাংসদ কৃপানাথ মাল্লাই অংশ লয়। সাংসদগৰাকীয়ে কয় যে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাষণে যুৱ সমাজক ক্ৰীড়া, শাৰিৰীক সক্ষমতা আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে আগবাঢ়ি যাবলৈ উৎসাহিত কৰিব।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰী মহাবিদ্যালয়তো আজি এই কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত জিলাখনৰ বিভিন্ন পৰ্যায়ৰ খেলুৱৈসকলে অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলে প্ৰধানমন্ত্ৰীৰ ভাষণ মনোযোগেৰে শুনে। তেওঁলোকে খেল-ধেমালিৰ প্ৰতি অধিক আগ্ৰহী হোৱাৰ লগতে সুস্থ আৰু নিচামুক্ত সমাজ গঢ়াৰ বাবে প্ৰধানমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাবলৈ প্ৰতিশ্ৰুতিবদ্ধ হয়।

00000

নেপালত আকস্মিক বানত আবদ্ধ হৈ পৰা ভাৰতীয় লোকসকলক উদ্ধাৰৰ বাবে ভাৰতে প্ৰচেষ্টা তীব্ৰতৰ কৰি তুলিছে। নতুন দিল্লীত আজি এখন সংবাদ মেলত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে কয় যে এই ভয়াবহ দুৰ্ঘটনা সংঘটিত হোৱাৰ সময়ত নেপালত থকা ২৮৮জন ভাৰতীয় লোকৰ সৈতে এতিয়ালৈকে কোনো ধৰণৰ সংযোগ স্থাপন কৰিব পৰা হোৱা নাই। ইয়াৰে ৭৩জন ভাৰতীয় ত্ৰিশূলী-ওৱান শক্তি প্ৰকল্পত কৰ্মৰত আছিল। শ্ৰীজয়ছৱালে কয় যে কাঠমাণ্ডুত থকা ভাৰতীয় দূতাবাসে প্ৰকল্প কৰ্তৃপক্ষৰ সৈতে এই লোকসকলৰ তথ্য সংগ্ৰহৰ বাবে অহৰহ সংযোগত আছে। কৈলাস মান সৰোবৰ যাত্ৰাৰ বাবে দুটা পৃথক গোটত যোৱা তামিলনাডুৰ মুঠ ৮৬জন লোক, নেপালৰ ৰাছোৱা জিলাৰ টিমুৰেত থকা পশ্চিমবংগৰ ৩২জন লোক আৰু কেৰালাৰ ৩৩জন লোকৰ এতিয়ালৈকে কোনো সন্ধান পোৱা নাই বুলি শ্ৰীজয়ছৱালে জানিবলৈ দিয়ে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কৈলাস মান সৰোবৰলৈ যাত্ৰাৰ বাবে যোৱা তামিলনাডুৰ ২১জন লোকক উদ্ধাৰ কৰা হৈছে বুলি প্ৰকাশ কৰিছে। মুখপাত্ৰগৰাকীয়ে কয় যে এতিয়াও আবদ্ধ হৈ থকা ভাৰতীয় লোকসকলৰ সৈতে সংযোগ স্থাপন তথা তেওঁলোকৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে ভাৰতীয় কৰ্তৃপক্ষই নেপালী কৰ্তৃপক্ষৰ সৈতে সঘন যোগাযোগত আছে আৰু সম্ভৱপৰ সকলো প্ৰচেষ্টা গ্ৰহণ কৰিছে।

শ্ৰীজয়ছৱালে কয় যে দেশখনত সম্প্ৰতি চলি থকা উদ্ধাৰ আৰু সাহায্য অভিযানত সহযোগিতাৰ বাবে ভাৰতে ৪৭ টনৰো অধিক তাৎক্ষণিক সাহায্য সামগ্ৰী প্ৰেৰণ কৰিছে। চৰকাৰে ২৪ ঘণ্টাই কাৰ্যক্ষম হোৱাকৈ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এটা নিয়ন্ত্ৰণ কক্ষও স্থাপন কৰিছে বুলিও মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে। তদুপৰি কাঠমাণ্ডু আৰু বেইজিঙত থকা ভাৰতীয় দূতাবাসে ২৪ ঘণ্টাই উপলব্ধ হোৱাকৈ হেল্পলাইন মুকলি কৰিছে বুলি শ্ৰীজয়ছৱালে জানিবলৈ দিয়ে।

ইপিনে, চীনৰ ফালে আবদ্ধ হৈ পৰা ভাৰতীয় নাগৰিকসকলক সুৰক্ষিতভাৱে উদ্ধাৰ কৰাৰ বাবেও বেইজিঙত থকা ভাৰতীয় দূতাবাসে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি শ্ৰীজয়ছৱালে প্ৰকাশ কৰে। চীনৰ ফালে প্ৰায় ২০০ ভাৰতীয় লোক আবদ্ধ হৈ আছে বুলি উল্লেখ কৰি শ্ৰীজয়ছৱালে কয় যে ইয়াৰে ৯৫জন ডাৰ্ছেনত আছে আৰু তেওঁলোকে বৰ্তমান শিল্‌ছা অভিমুখে ৰাওনা হৈছে। গীলং চহৰৰ পৰা চাৰিজন, জুথুলপুকৰ পৰা ১৩জন লোকৰ লগতে আন ৭০জন লোকে চাগা চহৰ অভিমুখে ৰাওনা হৈছে।

00000

স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে আজি পুৱা উজনি মাজুলীৰ শ্ৰীৰাম চাপৰিৰ ৫০ খন বিচনাযুক্ত আয়ুৰ্বেদিক চিকিৎসালয়খন পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে চিকিৎসালয়খনৰ কৰ্তৃপক্ষৰ সৈতে মত বিনিময় কৰি অভাৱ-অভিযোগৰ বুজ লয়।

ইয়াৰ পাছত মন্ত্ৰীগৰাকীয়ে উত্তৰ কমলাবাৰী সত্ৰ দৰ্শন কৰে। সত্ৰীয়া ঐতিহ্য আৰু মাজুলীৰ বৈষ্ণৱ সংস্কৃতিৰ সৈতে জড়িত বিভিন্ন দিশ সন্দৰ্ভত মন্ত্ৰীগৰাকী অৱগত হয়। উত্তৰ কমলাবাৰী সত্ৰ দৰ্শন কৰাৰ পাছত মন্ত্ৰীগৰাকীয়ে গড়মূৰত অৱস্থিত শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামী জিলা চিকিৎসালয় পৰিদৰ্শন কৰে। চিকিৎসালয়খনত মন্ত্ৰীগৰাকীয়ে চিকিৎসাৰ মান, আন্তঃগাঁথনি, চিকিৎসক স্বাস্থ্যকৰ্মীৰ সেৱা আৰু ৰোগীসকলৰ বাবে থকা বিভিন্ন সুবিধাৰ বুজ লয়। মন্ত্ৰী শ্ৰীসিংহলে ইয়াৰ পাছতে গড়মূৰৰ জিলা আয়ুক্ত কাৰ্যালয়ত মাজুলী জিলাৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণৰ বিভাগৰ এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই সভাত জিলাখনৰ স্বাস্থ্য সেৱাৰ সামগ্ৰিক পৰিস্থিতি, চিকিৎসা

আন্তঃগাঁথনি আদিৰ বিষয়ে পৰ্যালোচনা কৰা হয়। দিনটোৰ অন্তিম কাৰ্যসূচী হিচাপে মন্ত্ৰীগৰাকীয়ে গড়মূৰত থকা জিলা বিজেপিৰ কাৰ্যালয়ত দলীয় কাৰ্যকৰ্তাসকলৰ সৈতে বৈঠকত মিলিত হয়।

০০০০০

সাংসদ পপ্ৰদান বৰুৱাই আজি চিচিবৰগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত চিলাপথাৰত অসম খাদ্য আৰু অসামৰিক যোগান নিগমৰ অধীনত এটা নতুন ধান ক্ৰয় কেন্দ্ৰ মুকলি কৰে। ধানৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত দুহেজাৰ ৫৬৯ টকা নিৰ্ধাৰণ কৰি এই কেন্দ্ৰসমূহে ধান ক্ৰয় প্ৰক্ৰিয়া অধিক সুচল কৰি তুলিব বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে। চলিত বৰ্ষত জিলাখনত ১২ হাজাৰ ৫০০ মেট্ৰিক টন ধান ক্ৰয়ৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে আৰু চলিত মাহলৈকে এই লক্ষ্যৰ ৪০ শতাংশ পূৰণ হৈছে বুলি সাংসদগৰাকী জানিবলৈ দিয়ে।

ইফালে, সমষ্টিটোৰ জলকীয়া সুতিত বিধায়ক জীৱন গগৈয়ে  কৃষিক্ষেত্ৰ অধিগ্ৰহণ কেন্দ্ৰ এটা উদ্বোধন কৰে। ধানৰ উচিত মূল্য সুনিশ্চিতকৰণ আৰু মধ্যভোগীৰ দৌৰাত্ম্য হ্ৰাস কৰি কৃষকসকলক এই কেন্দ্ৰসমূহে সঠিক মৰ্য্যাদা প্ৰদান কৰিব বুলি মন্তব্য কৰে।

০০০০০

অসম পৰ্য্যটন নিগমৰ নিযুক্তি কেলেংকাৰীৰ গোচৰত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে, বিশেষ ন্যায়াধীশৰ আদালতত ৮ হাজাৰ পৃষ্ঠাৰ অভিযোগনামা দাখিল কৰিছে। বক্ৰ পথেৰে চাকৰি লোৱাৰ অভিযোগত তদাৰকী কোষে নিগমৰ তদানীন্তন সঞ্চালক মনালিছা গোস্বামীসহ কেইবাজনো বিষয়াৰ বিৰুদ্ধে এই অভিযোগনামা দাখিল কৰে। উল্লেখযোগ্য যে, পৰ্য্যটন বিষয়াৰ নিযুক্তিৰ নামত সংঘটিত এই অনিয়মৰ ঘটনা সন্দৰ্ভত তদাৰকী কোষে এটা গোচৰ ৰুজু কৰি ২০২৫ চনৰ পৰা তদন্ত আৰম্ভ কৰিছিল। এই সন্দৰ্ভত ইতিমধ্যে কেইবাজনো বিষয়াক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে অহা ২৯ তাৰিখ শনিবাৰে নিশা ৮ বাজি ২ মিনিটত **বান ক্ষতিগ্ৰস্ত অঞ্চলৰ জনসাধাৰণৰ মানসিক স্বাস্থ্য আৰু পৰামৰ্শ** শীৰ্ষক এটি অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত মনোৰোগ বিশেষজ্ঞ চিকিৎসক ডাঃ জয়ন্ত দাস অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই।

০০০০০

নগাঁও জিলাৰ ধিঙৰ ৰুলেন হাজৰিকা নামৰ এজন যুৱকে মুকুতা খেতিৰে স্বাৱলম্বী হোৱাৰ লগতে আন বহু লোকক উপাৰ্জনৰ বাট মুকলি কৰি ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে। আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা অনুসৰি এই যুৱকজনে ভুৱনেশ্বৰৰ চেণ্ট্ৰেল ইনষ্টিটিউট অব ফ্ৰেচ ৱাটাৰ একুৱা কালচাৰ বিষয়ত প্ৰশিক্ষণ লৈ নিজৰ গাঁৱৰ পুখুৰীতে মুকুতাৰ খেতি আৰম্ভ কৰে। প্ৰথম অৱস্থাত ৬০ হাজাৰ টকা বিনিয়োগেৰে ১৫ মাহত ১ লাখৰো অধিক টকা উপাৰ্জন কৰিবলৈ সক্ষম হোৱা যুৱকজনে পৰৱৰ্তী সময়ত বহু লোকক এই কৰ্মত নিয়োগ কৰি সংস্থাপনৰ বাট মুকলি কৰে। বৰ্তমান যুৱকজনে নগাঁও জিলাৰ ধিং মহাবিদ্যালয়ত মুকুতা উৎপাদনৰ বাবে শিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দি আহিছে।

০০০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ মুক্ত আৰু দূৰ শিক্ষা সঞ্চালকালয়ৰ উদ্যোগত অনুষ্ঠিত কাঠফুলা উৎপাদন প্ৰযুক্তি বিষয়ক এমহীয়া হ্ৰস্বকালীন প্ৰশিক্ষণৰ আজি সামৰণি পৰে। বিশ্ববিদ্যালয়ৰ যোৰহাটস্থিত চৌহদত অনুষ্ঠিত এই সামৰণি অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰশিক্ষণত অংশগ্ৰহণ কৰা প্ৰায় ৩৬গৰাকী প্ৰশিক্ষাৰ্থীক প্ৰমাণপত্ৰ দিয়া হয়। অসম কৃষি বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষা সঞ্চালক ড০ অনুপ কুমাৰ দাসে কাঠফুলাৰ চাহিদা আৰু জনপ্ৰিয়তা ক্ৰমাৎ বৃদ্ধি পোৱাৰ কথা প্ৰকাশ কৰে। নিৰামিষভোজী লোকৰ মাজত কাঠফুলাৰ চাহিদা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত এই ক্ষেত্ৰতখনত নতুন সম্ভাৱনাৰ সৃষ্টি হোৱা বুলিও সঞ্চালকগৰাকীযে উল্লেখ কৰে। তেওঁ কয় যে কাঠফুলা উৎপাদনৰ

জৰিয়তে যুৱ প্ৰজন্মই ভৱিষ্যতে নিজৰ জীৱিকা নিৰ্বাচিত কৰিব পাৰে। এই ক্ষেত্ৰত এটা শক্তিশালী নেটৱৰ্ক গঢ়ি তোলা আৰু উৎপাদিত সামগ্ৰীৰ মূল্য সংযোজনত গুৰুত্ব দিবলৈ তেওঁ আহ্বান জনায়।

০০০০০

কালি দেহাৱসান ঘটা বিটিচিৰ উপাধ্যক্ষ বিজিৎ গৌড়া নাৰ্জাৰীৰ মৃত্যুত বিটিআৰৰ লগতে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ জনসাধাৰণে শোক প্ৰকাশ কৰিছে। তামুলপুৰ জিলা বিজেপিৰ কাৰ্য্যালয়ত বি টি চিৰ উপাধ্যক্ষগৰাকীৰ নশ্বৰ দেহত আজি দলীয় সতীৰ্থসকলে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই অনুষ্ঠানত সাংসদ দিলীপ শইকীয়া, বিধায়ক ভিক্টৰ কুমাৰ দাসৰ লগতে অসংখ্য গুণমুগ্ধ উপস্থিত থাকে। সাংসদ শইকীয়াই প্ৰয়াত নাৰ্জাৰীৰ বিয়োগে ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰখনত অপূৰণীয় ক্ষতি কৰা বুলি মন্তব্য কৰে।

আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে, কালি সন্ধিয়া তামুলপুৰৰ কুমাৰীকাটাস্থিত নিজা বাসগৃহত বি টি চিৰ উপাধ্যক্ষগৰাকীয়ে আত্মহনন কৰে। ২০১০ চনৰ উপ-নিৰ্বাচনত প্ৰথমবাৰৰ বাবে বিপিএফৰ হৈ নিৰ্বাচিত হোৱা নাৰ্জাৰীয়ে একেৰাহে তিনিবাৰ বিপিএফৰ প্ৰাৰ্থী হিচাপে জয়ী হৈছিল। ২০২৫ চনত বিটিচিৰ পৰিষদীয় নিৰ্বাচনত তেওঁ চতুৰ্থবাৰৰ বাবে বিজেপিৰ হৈ জয়লাভ কৰিছিল।

০০০০০

কোকৰাঝাৰ ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়ত আজি এটা ডিষ্ট্ৰিক্ট আৰ্লি ইণ্টাৰভেনচন চেণ্টাৰ উদ্বোধন কৰা হয়। শিশুৰ বিকাশজনিত আৰু অন্যান্য স্বাস্থ্য সম্পৰ্কীয় সমস্যাত আগতীয়া চিকিৎসা সেৱা সুনিশ্চিত কৰাৰ উদ্দেশ্যেৰে এই কেন্দ্ৰটো মুকলি কৰা হৈছে। অনুষ্ঠানত উপস্থিত থাকি বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদৰ স্বাস্থ্য বিভাগৰ কাৰ্য্যবাহী সদস্য দেড়হাচট বসুমতাৰীয়ে এইদৰে কয় -

-বাইট-

০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজত কলম্বোত অনুষ্ঠিত চলিত ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল অমীমাংসিতভাৱে সমাপ্ত হয়। আজি পঞ্চম তথা অন্তিম দিনা শ্ৰীলংকাই দ্বিতীয় ইনিংছত ৯টা উইকেট হেৰুৱাই ৪২৯ ৰাণ সংগ্ৰহ কৰে।

ভাৰতে দ্বিতীয়খন টেষ্টত প্ৰথমে বেট ধৰি ৯ উইকেটৰ বিনিময়ত ৫০৩ ৰাণ কৰি ইনিংছ সমাপ্তিৰ ঘোষণা কৰে। ইয়াৰ বিপৰীতে শ্ৰীলংকাই প্ৰথম ইনিংছত ২৯০ সংগ্ৰহ কৰি ফ'ল' অনৰ সন্মুখীন হয়। দলটোৱে দ্বিতীয় ইনিংছত সুস্থিৰ প্ৰদৰ্শনেৰে ৯ উইকেটৰ বিনিময়ত ৪২৯ ৰাণ কৰি ২১৬ ৰাণৰ অগ্ৰগতি লাভ কৰে। ইয়াৰ পাছতে দুয়োটা দলৰ অধিনায়কে ইনিংছ সমাপ্তিৰ বাবে সন্মতি প্ৰকাশ কৰে।

দ্বিতীয়খন টেষ্ট ড্ৰ হোৱা সত্বেও শুভমন গীল নেতৃত্বাধীন ভাৰতীয় দলে ১-০ৰ ব্যৱধানত দুখনীয়া শৃংখলাটো দখল কৰে।

শ্ৰীলংকাৰ ছ'নাল ডিনুছাক দুয়োটা ইনিংছত ক্ৰমে ১০৩ আৰু ১৩৩ ৰাণ কৰাৰ বাবে প্লেয়াৰ অব দ্য মেচ ঘোষণা কৰা হয়। ইপিনে দুয়োখন টেষ্টত সৰ্বমুঠ ৩২৮ ৰাণ কৰি সুন্দৰ প্ৰদৰ্শন আগবঢ়োৱাৰ বাবে দেৱদত্ত পাডিক্কলক প্লেয়াৰ অব দ্য চিৰিজ ঘোষণা কৰা হয়।

০০০০০

সমাপ্ত